

# অসমৰ জনগোষ্ঠীয় সমাজ-সংস্কৃতি

## ঐতিহ্য আৰু বিৱৰ্তন

সম্পাদনা
ড° মালবিকা বাগলাৰী
মিস্মিতা কছাৰী
হীৰেণ দাস

- ➢ অসমীয়া বিবাহ অনুষ্ঠানলৈ অহা পৰিৱৰ্তন ঃ এক সামগ্রিক আলোচনা

  ✍ গায়ত্রী খাৰঘৰীয়া/২৫২
- ➢ তোলনি বিয়া ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

  ✍ ড° পল্লৱিকা শৰ্মা/২৬০
- ➢ অসমীয়া গৃহ নির্মাণ প্রণালী ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

  ✍ ড° কুকিলা গোস্বামী/২৬৮
- ➢ অসমীয়া একশৰণ ভাগৱতী সমাজত প্রচলিত লোকাচাৰ ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

  ✍ হীৰেন দাস/২৮৫
- ➢ অসমীয়া সমাজ-সংস্কৃতিত চোতাল ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

  ✍ কৰবী দত্ত/২৯০
- ➢ অসমীয়া ভাওনা সংস্কৃতি ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

  ✍ নয়নজ্যোতি কলিতা/২৯৫
- ➢ বিনিময় প্রথা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

  ✍ লোপামুদ্রা দেৱী/৩১০
- ➢ জুহাল ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

  ✍ মঞ্জুলা কলিতা/৩১৩
- ➢ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পৰম্পৰা আৰু পৰিৱৰ্তন ঃ এক সামগ্রিক আলোচনা

  ✍ বৰ্ণামিকা শইকীয়া/৩১৯

# অসমীয়া বিবাহ অনুষ্ঠানলৈ অহা পৰিৱৰ্তন ঃ এক সামগ্ৰিক আলোচনা

## (বৰবিয়াৰ বিশেষ উল্লিখনসহ)

গায়ত্ৰী খাৰঘৰীয়া

**অৱতৰণিকা ঃ**

সংস্কৃতি মানে উৎসৱ-অনুষ্ঠান, পৰিৱেশ্য কলা, খাদ্যাভাস, আৱৰণ-আভৰণ, বাসস্থান, ৰীতি-নীতি, আচাৰ-বিশ্বাস আদিৰ সমতুল্য অৱস্থা। গতিময়তা সংস্কৃতিৰ বৈশিষ্ট্য। এই গতিময়তাই সংস্কৃতিক পৰিৱৰ্ধিত কৰে, পৰিৱৰ্তিত কৰে আৰু এনে পৰিৱৰ্ধন-পৰিৱৰ্তনে সংস্কৃতিক জীয়ন দিয়ে। গতিশীল সংস্কৃতিৰ লগত সংপৃক্ত সকলো বিষয়তে পৰিৱৰ্তন অহাতো অত্যন্ত স্বাভাৱিক প্ৰক্ৰিয়া। উৎসৱ-অনুষ্ঠানসমূহে এনে পৰিৱৰ্তন-পৰিৱৰ্ধনত মুখ্য ভূমিকা গ্ৰহণ কৰে। যিকোনো এটা মানৱগোষ্ঠীৰ সংস্কৃতিক সুন্দৰ আৰু সুস্পষ্ট ৰূপত প্ৰতিনিধিত্ব কৰে সেই জনগোষ্ঠীটোৱে উদ্‌যাপন কৰা উৎসৱ-অনুষ্ঠানসমূহে আৰু তাৰ লগত জড়িত আচাৰ-বিশ্বাসসমূহে। সংস্কৃতিবিদসকলে কৰা উৎসৱ-অনুষ্ঠানসমূহৰ বিভিন্ন ভাগৰ অন্তৰ্গত এটি ভাগ হ'ল জীৱন কৃত্যৰ লগত জড়িত উৎসৱ-অনুষ্ঠান। মানৱ জীৱনৰ বিভিন্ন সময়ক কেন্দ্ৰ কৰিও বহুবোৰ উৎসৱ-অনুষ্ঠান পালন কৰা হয়, তাৰ ভিতৰত বিবাহ অনুষ্ঠান